# আমেৰিকাৰ নিৰ্বাচন আৰু প্ৰত্যাশা

**চম্পক শৰ্মা**



জো বাইডেন    কমলা হেৰিছ

আমেৰিকাৰ অভূতপূৰ্ব নিৰ্বাচনৰ ফল অৱশেষত স্পষ্ট হৈ পৰিল। দেশখনৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হ'বৰ বাবে যিকোনো এজন প্ৰাৰ্থীকে ২৭০টা ইলেক্টৰেল ভোটৰ প্ৰয়োজন। ভোটগণনাৰ অন্তত ডেম'ক্ৰেটিক দলৰ জো বাইডেনে ২৯০টা ইলেক্টৰেল ভোট লাভ কৰি ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰাটো নিশ্চিত হৈছে। বহুকেইটা দিশেৰে এই নিৰ্বাচন অভূতপূৰ্ব বুলি পৰিগণিত হৈছে। প্ৰথমতেই হৈছে এই নিৰ্বাচনৰ সময়। বিশ্বজুৰি ক'ভিড-১৯ মহামাৰীৰ দ্ৰুত বিস্তাৰ আৰু আমেৰিকাত ইয়াৰ ভয়াবহ ৰূপ ধাৰণৰ মাজতে দেশখনত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচন চলি থকা আৰু হৈ যোৱাৰ ঠিক পাছতে পুনৰবাৰ এই ৰোগৰ সংক্ৰমণে ভয়াবহ ৰূপ লৈছে। সকলো ৰাজনৈতিক দলৰ আলোচনা আৰু আইনজ্ঞৰ পৰামৰ্শৰ আধাৰত এই নিৰ্বাচন হয়তো স্থগিত ৰাখিব পৰা গ'লহেঁতেন, কিন্তু শাসক দল ৰিপাব্লিকান বা বিৰোধী ডেম'ক্ৰেটিক—কাৰোৱেই এইক্ষেত্ৰত বিশেষ আগতীয়া তৎপৰতা দেখা নগ'ল।

এই নিৰ্বাচনৰ অন্য এটা বৈশিষ্ট্য হৈছে দুয়োজন ৰাষ্ট্ৰপতিৰ মাজত হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতা। সাধাৰণতে আমেৰিকাৰ নিৰ্বাচনত ৰিপাব্লিকান দলক সোঁপন্থী আৰু ডেম'ক্ৰেটিক দলক মধ্যমপন্থী বুলি ধৰা হয়। ট্ৰাম্পৰ সংৰক্ষণবাদী নীতিবোৰে যোৱা ২০১৬ চনৰ নিৰ্বাচনটোত বেচ জনপ্ৰিয়তা অৰ্জন কৰিছিল। কিন্তু সেইবোৰৰ বিৰোধিতা কৰি ডেম'ক্ৰেটিক দলে এইবাৰ নতুন শক্তিৰে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। এই মুহূৰ্তত আমেৰিকানসকলৰ লক্ষ্য হৈছে যিকোনো প্ৰকাৰে কৰ'নাৰ প্ৰভাৱৰপৰা মুক্তি পোৱা। সেই দিশত যিয়েই বাস্তৱসন্মত পদক্ষেপ গ্ৰহণৰ আশ্বাস দিছে, ভোটাৰসকলে তেওঁকেই ভোটদান কৰিছে। মহামাৰীৰ প্ৰতি আমেৰিকান নাগৰিকৰ ভয় কিমান সেয়া যোৱা মাৰ্চ মাহতে গম পোৱা গৈছিল। তেতিয়া ট্ৰাম্পে ক'ভিড-১৯ ৰোধৰ বাবে পাঁচ হাজাৰ ডলাৰৰ পুঁজি ঘোষণা কৰাত আমেৰিকাৰ সাধাৰণ নাগৰিকসকলে ভাবিছিল যে অন্ততঃ সঠিক পৰিকল্পনাৰে ধনৰাশি ব্যয় কৰিব পাৰিলে মহামাৰী ৰোধ কৰিব পৰা যাব। কিন্তু নিৰ্বাচনৰ সময়লৈকে প্ৰতিষেধক বজাৰলৈ নহাত দেশবাসীৰ মনত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ প্ৰতি কোনো সহানুভূতি নাথাকিল। ট্ৰাম্পেও এই সময়ছোৱাত চীনক দোষাৰোপ কৰা, বিশ্ব স্বাস্থ্য সংস্থাৰপৰা ধনৰ অনুদান প্ৰত্যাহাৰ কৰা আদিতহে মনোনিৱেশ কৰিলে। আন্তৰিকতাহীন এনে কাৰ্যৰ ফল দেখা গ'ল নিৰ্বাচনত। আমেৰিকাবাসীৰ এই প্ৰত্যাশাৰ এৰাব নোৱৰা চাপ কিন্তু জো বাইডেনৰ ওপৰতো আছে।

এটা কথা ঠিক যে ৰিপাব্লিকান দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈয়েই প্ৰতিটো নিৰ্বাচনতে আমেৰিকাৰ বৃহৎসংখ্যক নাগৰিকে দলটোক ভোটদান কৰি আহিছে। পূৰ্বৰ ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতিসকলে সততে সামৰিক শক্তি প্ৰদৰ্শনৰ সুযোগ লৈছিল, ট্ৰাম্পেও সেয়া অলপ-অচৰপ নকৰাকৈ থকা নাছিল। কিন্তু আমেৰিকাৰ নাগৰিকে সেয়া গ্ৰহণ নকৰি এইবাৰ স্বাস্থ্যগত দিশটোহে প্ৰধান নিৰ্বাচনী বিষয় কৰি ল'লে। সেয়ে সচেতন নাগৰিকসকলৰ বৃহৎসংখ্যকে (প্ৰায় ৯ কোটিৰপৰা ১০ কোটিৰ ভিতৰত) এইবাৰ ডাক-বেলটৰ যোগেদি ভোটদান কৰিছে। ২৩ কোটি ৯২ লাখৰো অধিক ভোটাৰৰ ভিতৰত এনেদৰে নিৰাপদ ব্যৱস্থাৰ অৱলম্বনেৰে ইমান বৃহৎসংখ্যক লোকে ভোটদান কৰাটোও দেশখনৰ নিৰ্বাচনী ইতিহাসত এটি অন্যতম অভিলেখ। ড'নাল্ড ট্ৰাম্পে অভিযোগ কৰিছে যে ইমান বৃহৎসংখ্যক ভোটাৰে ডাক-বেলটযোগে ভোট দিয়া প্ৰক্ৰিয়াত ব্যাপক অনিয়ম হৈছে আৰু বহু ভুৱা ভোট পৰিছে।

জো বাইডেনৰ ভৱিষ্যতো বেচ প্ৰত্যাহ্বানপূৰ্ণ হ'ব। ক'ভিড-কালত ৰাষ্ট্ৰপতিৰ দায়িত্ব লৈয়েই তেওঁ মহামাৰীৰ সংক্ৰমণ ৰোধৰ বাবে পৰিকল্পনা যুগুত কৰি তাৰ ৰূপায়ণত মনোযোগ দিব লাগিব। আন্তঃৰাষ্ট্ৰীয় স্তৰত আমেৰিকাৰ ভাবমূৰ্তি পুনৰ উজ্জ্বল কৰিবলৈ হ'লে বাইডেনে ট্ৰাম্প চৰকাৰে পূৰ্বে লোৱা কিছুমান নীতিলৈ পৰিৱৰ্তন আনিব লাগিব। তথ্য মতে এইবাৰ হেনো বাইডেনে পূৰ্বৰ সকলো ৰাষ্ট্ৰপতি নিৰ্বাচনত এজন প্ৰাৰ্থীয়ে পোৱা ভোটৰ দিশৰপৰা অভিলেখ সৃষ্টি কৰিছে। সেই অভিলেখে আনি দিয়া প্ৰত্যাশাও তেওঁ পূৰণ কৰিব পাৰিলেহে তেওঁক সফল ৰাষ্ট্ৰপতি বুলি ক'ব পৰা যাব।

ট্ৰাম্পৰ দিনত মাৰ্কিন অৰ্থনীতিৰ ৰূপটোও এবাৰ চোৱা ভাল হ'ব। ট্ৰাম্পৰ লক্ষ্য আছিল আমেৰিকাক আকৌ 'মহান' কৰা (Make America Great Again)। কিন্তু তেওঁৰে দুৰ্ভাগ্য যে কাৰ্যকালৰ অন্তিমটো বছৰত ক'ভিড-১৯ মহামাৰীয়ে ট্ৰাম্পক ইতিহাসৰ সবাতোকৈ ব্যৰ্থ ৰাষ্ট্ৰপতিৰূপে পৰিগণিত কৰিলে। দেশখনৰ অৰ্থনীতিৰ অভাৱনীয় সংকোচন হৈছে। যোৱা ছেপ্টেম্বৰৰপৰাহে আমেৰিকাৰ অৰ্থনীতিৰ নিঃসাৰ ৰূপটোৰ সামান্য সালসলনি ঘটিছে আৰু অৰ্থনৈতিক বিকাশৰ গ্ৰাফডালে ক্ৰমে ক্ৰমে উৰ্ধ্বমুখী গতি ল'বলৈ আৰম্ভ কৰিছে। কিন্তু ইতিমধ্যে নিবনুৱা হৈ পৰাসকলৰ মনৰ ক্ষোভবোৰে ভোট মেচিনত স্বাভাৱিকভাৱেই প্ৰভাৱ পেলাইছে। বিকাশত নহ'লেও ট্ৰাম্পে কিন্তু এটা দিশত এটি অভিলেখ ৰচিছে। ট্ৰাম্পে দায়িত্ব গ্ৰহণ কৰাৰ সময়ত দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ অনুপাতত ঋণ আছিল ৭৬ শতাংশ। কিন্তু এতিয়া সেই অনুপাত ১০৫ শতাংশলৈ বৃদ্ধি পাইছে। ট্ৰাম্পৰ আশা আছিল যে ধীৰে ধীৰে আৰ্থিক অৱস্থা ভাললৈ আহিব আৰু তেওঁ আৰ্থিক সংৰক্ষণবাদী নীতি অনুকৰণ কৰি পুনৰ কিছুদিনৰ ভিতৰতে অৰ্থনীতিক পূৰ্বৰ গতি দিবলৈ সমৰ্থ হ'ব। কিন্তু ইউৰোপৰ কোনো কোনো দেশে পুনৰ লকডাউনৰ পথ অনুকৰণ কৰাৰ লগে লগে আমেৰিকাবাসীয়ে ভয় খালে যে আমেৰিকাতো পুনৰ ভয়াবহ সংক্ৰমণে দেখা দিব পাৰে। বাস্তৱিকতে সেইটো হৈছেও। আনকি নিৰ্বাচনৰ এটা দিনৰ পাছতে আমেৰিকাত ক'ভিড-১৯ মহামাৰীত এক লাখৰো অধিক লোক আক্ৰান্ত হোৱাৰ বাতৰি আহিছে। গতিকে মুখ্যতঃ অৰ্থনৈতিক দিশত কৰ'নাৰ ভয়াবহ প্ৰভাৱ ট্ৰাম্পে প্ৰতিৰোধ কৰাত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিততে আমেৰিকাৰ ভালেসংখ্যক নিবনুৱা জো বাইডেনৰ ফলীয়া হৈছে।

আমেৰিকাত বিগত কেইটামান বছৰত হোৱা মেৰু বিভাজনেও এইবাৰৰ নিৰ্বাচনত